৪। যি কোনো দুটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×২=২০

(ক) মাধৱ কন্দলিৰ কাব্যাংশ ‘ৰামবিহীন অযোধ্যাৰ বৰ্ণনা’ৰ কাব্যিক সৌন্দৰ্য বিচাৰ কৰা।

(খ) শংকৰদেৱৰ ‘শৰৎ বৰ্ণনা’ত ভক্তিতত্ত্ব কিদৰে উদ্ভাসিত হৈছে, নিদৰ্শনসহ ব্যাখ্যা কৰা।

(গ) লক্ষ্মীনাথ বেজবৰুৱাৰ ‘মালতী’ কবিতাত ৱৰ্ডচৱৰ্থৰ প্ৰভাৱ প্ৰদৰ্শন কৰি কবিৰ মৌলিকতা ফঁহিয়াই দেখুওৱা।

(ঘ) ৰঘুনাথ চৌধাৰীৰ ‘গোলাপ’ কবিতাত কাব্য-দৃষ্টিৰ ৰূপায়ণ সম্পৰ্কে লিখা।

(ঙ) অজিৎ বৰুৱাৰ ‘মন কুঁৱলী সময়’ত আধুনিকতাবাদী কবিতাৰ বৈশিষ্ট্য কিদৰে ফুটি উঠিছে, ফঁহিয়াই লিখা।

★★★





# 2025

## ASSAMESE

Paper : ASS0400204

( অসমীয়া কবিতা )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×৮=৮

(ক) মাধৱ কন্দলিৰ পৃষ্ঠপোষক কোন আছিল ?

(খ) শংকৰদেৱৰ ৰচনাৱলীৰ তাৰিখ নিৰূপণৰ একমাত্ৰ বাহ্যিক প্ৰমাণ কি ?

(গ) “গীতি-ৰামায়ণ বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাঙৰণ মাথোন।” কোনে কৈছিল ?

(ঘ) ভোলানাথ দাসৰ ‘সীতাহৰণ কাব্য’ প্ৰথমে কি আলোচনীত প্ৰকাশ পাইছিল ?

(ঙ) প্ৰাক্-জোনাকী যুগৰ এগৰাকী কবিৰ নাম লিখা।

(চ) ৰঘুনাথ চৌধাৰীৰ কবিতাৰ দুটা স্পষ্ট আৰু সুকীয়া ধাৰা উল্লেখ কৰা।

(ছ) অজিৎ বৰুৱাৰ এখন কবিতা সংকলনৰ নাম লিখা।

(জ) নৱকান্ত বৰুৱাই কি গ্ৰন্থৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল?

২। চমু উত্তৰ দিয়া (যি কোনো **ছয়টা**) : ২×৬=১২

(ক) প্ৰাক্-শংকৰ যুগৰ সাহিত্য উৎসৰ ফালৰ পৰা কিহৰ ওচৰত শৰণাপন্ন?

(খ) পদ-ভাঙনিৰ ক্ষেত্ৰত শংকৰদেৱৰ আটাইতকৈ মনোৰম আৰু কবিত্বপূৰ্ণ ৰচনা কি?

(গ) দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ' কোনটো অংশত মাধৱ কন্দলিৰ পৰা আঁতৰি গৈছে?

(ঘ) অসমীয়া কবিতালৈ ভোলানাথ দাসৰ বৰঙণিৰ দুটা ঘাই বৈশিষ্ট্য কি কি?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ দুটি সাৰ্থক কাহিনী-কবিতাৰ নাম লিখা।

(চ) অসমীয়া ৰোমাণ্টিচিজমৰ প্ৰথম হোতা কোন? কেনেকৈ?

(ছ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'তুমি' আৰু 'বীণা'ত কি অনুভূতিৰ বিকাশ দেখা যায়?





(জ) নাটকীয় স্বগতোক্তি বুলিলে কি বুজা?

(ঝ) নৱকান্ত বৰুৱাৰ দুখন উপন্যাসৰ নাম লিখা।

(ঞ) ভাৰতীয় জ্ঞানপীঠ বঁটা পোৱা একমাত্ৰ অসমীয়া কবিগৰাকী কোন? তেওঁৰ এখন কবিতা সংকলনৰ নাম লিখা।

৩। যি কোনো **চাৰিটা** প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৪=২০

(ক) দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ত অবাল্মীকীয় উপাদান সম্পৰ্কে চমুকৈ লিখা।

(খ) মাধৱ কন্দলিৰ ৰাজকীয় পৃষ্ঠপোষকতা সম্পৰ্কে লিখা।

(গ) ভোলানাথ দাসৰ 'মেঘ' কবিতাৰ শব্দ প্ৰয়োগ সম্পৰ্কে লিখা।

(ঘ) চন্দ্ৰকুমাৰ আগৰৱালাৰ 'অজেয়' কবিতাত আবেগ আৰু শব্দ প্ৰয়োগৰ সমতা সম্পৰ্কে লিখা।

(ঙ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ 'মোৰ বীণা' কবিতাত অতীন্দ্ৰিয় অনুভূতি কিদৰে মূৰ্ত হৈছে, দেখুওৱা।

(চ) দেৱকান্ত বৰুৱাৰ 'মনোৰমা' কবিতাত প্ৰেম আৰু প্ৰকৃতিৰ সহাৱস্থান কিদৰে হৈছে, নিদৰ্শনসহ দেখুওৱা।

(ছ) নৱকান্ত বৰুৱাৰ 'পলস' কবিতাত প্ৰজন্মৰ পাৰম্পৰিক সম্পৰ্কৰ বিষয়ে লিখা।

(জ) অজিৎ বৰুৱাৰ কবি-পৰিচয় প্ৰদান কৰা।